## পঞ্চম অধ্যায়

# কোচ-ৰাজবংশীসকলৰ খেল-ধেমালিৰ সৈতে জড়িত লোকাচাৰ

# পঞ্চম অধ্যায়

## ৫.০০ কোচ-ৰাজবংশীসকলৰ খেল-ধেমালিৰ সৈতে জড়িত লোকাচাৰ

খেল-ধেমালি হৈছে লোকসংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। খেল-ধেমালিয়ে একোটা জাতি বা জনগোষ্ঠীৰ সংস্কৃতি, উৎকৰ্ষতা, শৌৰ্য-বীৰ্য আৰু জাতীয় পৰিচয়ৰ পৰিচায়ক। খেল-ধেমালি ব্যক্তি বা ব্যক্তিসমষ্টিৰ শাৰীৰিক, মানসিক বিকাশৰ লগতে উত্তৰণত বিশেষভাৱে ভূমিকা পালন কৰি আহিছে। লোকসংস্কৃতিৰ অংগস্বৰূপ হোৱা বাবে বহুতো খেল-ধেমালিত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে লোকসমাজৰ বিশ্বাস, সংস্কাৰ আদি জড়িত হৈ থাকে। প্ৰফুল্ল দত্ত গোস্বামীৰ মতে "*কিছুসংখ্যক পণ্ডিতৰ মতে ল'ৰাৰ খেল-ধেমালিৰ গীতত প্ৰাচীন ধৰ্ম বিশ্বাসৰ উমান পোৱা যায়।*"[১] বিৰিঞ্চি কুমাৰ বৰুৱাই খেল-ধেমালিৰ স্বৰূপৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে- "*খেল-ধেমালিৰ ওপৰত আজিকালি যি ধৰণৰ গুৰুত্ব আৰোপ কৰা হৈছে, সেই দিনৰ পৰা বিচাৰ কৰিলে খেলেই আধুনিক জীৱন আৰু তাৰ সংস্কৃতিৰ এক বিশিষ্ট ৰূপৰ গঢ় দিয়ে। মূলতঃ খেল এখন নাটক। খেলুৱৈবোৰ ইয়াৰ ভাৱৰীয়া, ছন্দময়, গতি ইয়াৰ নৃত্য। কিছুমান খেলত গীতো থাকে। খেলৰ ভিতৰত আৰু গোটাদিয়েক বিশিষ্ট লক্ষণ আছে। প্ৰত্যেক খেলৰে কিছুমান নিয়ম আছে। এই নিয়ম বিলাকৰ সৰহভাগেই জনসাধাৰণৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত।*"[২]

নবীন চন্দ্ৰ শৰ্মাই খেল-ধেমালি এক জটিল ব্যাপাৰ আৰু ইয়াৰ এটি সুনিৰ্দিষ্ট সূত্ৰ দিয়া টান বুলি উল্লেখ কৰিছে আৰু খেল-ধেমালিৰ কিছুমান বিশেষত্বৰ কথা কৈছে এনেদৰে-[৩]

(১) খেল-ধেমালি স্বেচ্ছাকৃত, জীৱনৰ জৈৱিক প্ৰয়োজনীয়তাৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

(২) খেল-ধেমালি অনুৎপাদক, যিহেতু টকা-পইচাৰ লগত ইয়াৰ বিশেষ সম্পৰ্ক নাই।

(৩) ব্যক্তি বিশেষৰ শাৰীৰিক, মানসিক, সামাজিক আদি বিভিন্ন দিশৰ বিকাশ সাধনত খেল-ধেমালিৰ স্বীকাৰ কৰিবই লাগিব।

(৪) খেল-ধেমালিৰ ক্ষেত্ৰত দেখা দিয়া বাস্তৱতাৰ সৈতে সাময়িক বিচ্ছিন্নতাৰ লগত সাধুকথা শুনোতাসকলৰ (ল'ৰা-ছোৱালীৰ) বাস্তৱতাৰ লগত সাময়িক বিচ্ছিন্নতাৰ দিশ আছে। সাধুকথা কোৱা শেষ হোৱাৰ লগে লগে শুনোতাসকল আকৌ বাস্তৱ জগতলৈ ঘূৰি অহাৰ দৰে খেল-ধেমালি শেষ হোৱাৰ লগে লগে ল'ৰা-ছোৱালীহঁত পুনৰ বাস্তৱ জগতলৈ ঘূৰি আহে।

(৫) প্ৰতিযোগিতাৰ ভাব-বিহীন আমোদ-প্ৰমোদক এক প্ৰকাৰে অৱসৰ বিনোদন বুলিব পাৰি। খেল (Game) আৰু ধেমালি (Sports) একে নহয়। খেলত অন্ততঃ দুজনৰ ভিতৰত প্ৰতিযোগিতাৰ ভাৱ থাকে, আনহাতে ধেমালিত প্ৰতিযোগিতাৰ ভাৱ নাথাকে।

(৬) খেলত কিছুমান ধৰা-বন্ধা নীতি-নিয়ম আছে। অৱশ্যে এই নীতি-নিয়মবোৰ স্পষ্ট ৰূপতো থাকিব পাৰে অথবা অস্পষ্ট ৰূপতো থাকিব পাৰে। এনে বিধৰ নীতি-নিয়মবোৰ খেলুৱৈসকলে জানে। আনকি তেওঁলোকে খেলুৱৈ সকলৰ ভিতৰত কোনজন জয়ী বা কোনজন পৰাজিত হৈছে তাৰ নিৰ্ণয়ো কৰিব জানে।

(৭) খেল-ধেমালি আৰু অৱসৰ-বিনোদন কিছুমান সামাজিক আচৰণৰ সমষ্টি। এই আচৰণৰাজি শাৰীৰিকো হ'ব পাৰে, বাচিকো হ'ব পাৰে। কোনো কোনো পণ্ডিতৰ মতে ধৰ্মীয় কৃত্য আৰু যাদুমূলক আচৰণৰ পটভূমিতে অনেক খেল-ধেমালিৰ উদ্ভৱ হৈছে।

এনেদৰে, খেল-ধেমালিৰ বিষয়ে বিভিন্ন জনে বিভিন্ন ধৰণেৰে মন্তব্য আগবঢ়াইছে।


## ৫.০১ কোচ-ৰাজবংশী লোকসকলৰ পৰম্পৰাগতভাৱে প্ৰচলিত খেল-ধেমালি ঃ

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত অতীতৰেপৰা বিভিন্ন খেল-ধেমালি প্ৰচলন হৈ আহিছে। কোচ-ৰাজবংশী লোকসমাজতো প্ৰাচীন কালৰেপৰা পুৰুষানুক্ৰমে বিভিন্ন প্ৰকাৰৰ খেল-ধেমালিৰ প্ৰচলন হৈ আছে। এই খেল-ধেমালিবোৰৰ কেতবোৰ সময়ৰ সোঁতত নাইকিয়া হৈছে আৰু কেতবোৰ পৰম্পৰাগত ভাৱে বৰ্তমানেও চলি আছে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ সমাজত প্ৰচলিত খেল-ধেমালিবোৰ লিংগভেদে, বয়সভেদে, স্থানভেদে, কালভেদে, ঋতুভেদে বিভিন্ন প্ৰকাৰৰ থকা দেখা যায়। ইয়াৰ উপৰিও কিছুমান খেল দুজনীয়া আৰু ততোধিক লোক দলীয়ভাৱেও খেলে। আমাৰ এই অধ্যায়ত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰাচীনকালৰে পৰা চলি অহা খেল-ধেমালিৰ আলোচনা আগবঢ়োৱা হল-

### ৫.০১.১ মংগল পাঠা ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত এবিধ খেল হ'ল মংগল পাঠা। এই খেলবিধক কোকৰাঝাৰ আৰু চিৰাং জিলাৰ বিভিন্ন অঞ্চলত পাইট, যোল্লপাতি, কচুখেল বুলিও কোৱা হয়। এইবিধ খেল বিশেষকৈ ডেকাসকলে খেলে আৰু ই এক প্ৰতিযোগিতামূলক খেল। এই খেলৰ বাবে প্ৰথমতে এটা নক্সা অকাঁ হয় আৰু এই নক্সা মাটিত অকাঁৰ উপৰিও কিছুমানে ডেক্সতো আঁকি লয় যাতে বাৰে বাৰে আঁকিবলগীয়া নহয়। নক্সাটোৰ মাজেৰে টনা ৰেখাৰে কটা কটি কৰি কেইটামান ঘৰ বনাই লোৱা হয়। নক্সাখনৰ দুইমূৰে দুজন প্ৰাৰ্থী বহি লয় আৰু দুয়োফালৰ পৰা ঘৰ বিলাকত ১৬-১৬ টাকৈ গুটি ৰাখে। দুজন প্ৰাৰ্থীৰ বাবে গাইপটিকৈ ১৬ টা গুটিৰ প্ৰয়োজন হয়। খেলত দুই প্ৰাৰ্থীৰ গুটিৰ মাজত আকাৰ বা ৰঙৰ পাৰ্থক্যৰ বাবে আগৰ দিনত কোচ-ৰাজবংশী লোকসকলে ক'লা বা বগা ৰঙৰ কচুগছৰ ঠাৰি কাটি গুটি বনাই লৈছিল। গুটি বহাই খেল আৰম্ভ হোৱাৰ লগে লগে এজন প্ৰাৰ্থীয়ে নিজৰ ভাগৰ গুটি লৰাই চাল দিয়ে তাৰ পিছত একেদৰে আনজন প্ৰাৰ্থীয়েও চাল দিয়ে। এনেদৰে গৈ গৈ যেতিয়া এজনে একে শাৰীতে থকা আনজনৰ গুটিৰ ওপৰেদি পৰা হৈ পিছৰ খালি থকা ঘৰ এটাত নিজৰ ভাগৰ গুটি ৰাখিব পাৰে তেন্তে আনজনৰ গুটি খোৱা হয়। কেতিয়াবা একে চালতে দুটা, তিনিটা বা ততোধিক গুটিও খাব পাৰি। এনেদৰে যাৰ ভাগৰ গুটি

খাই খাই শেষ হয় সেইজন খেলাত হাৰি যোৱা বা চান খোৱা বুলি কোৱা হয়। এইখিনিতে উল্লেখযোগ্য যে "*কচু খেল খেলিলে বৰষুণ দিয়ে বুলি কোচ ৰাজবংশী সমাজত লোকবিশ্বাসৰ প্ৰচলন আছে।*"[৪]



**চিত্ৰ নং-১**

## ৫.০১.২ বন্নী খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা প্ৰচলিত এবিধ খেল হ'ল বন্নী খেল। এই খেলবিধ ল'ৰা-ছোৱালী উভয়ে খেলে আৰু ই এক প্ৰতিযোগিতামূলক খেল। এইবিধ খেল খেলিবৰ বাবে মুকলি পথাৰত ৬০-৭০ ফুটমান দূৰত্বৰ ব্যৱধানত দুয়োমূৰে দুটা বৃত্ত বা ঘৰ বনোৱা হয় আৰু খেলুৱৈসকল সমানে দুটা দলত ভাগ হয়। মুদ্ৰাৰ হেড-টেইলৰ সহায়ত যিটো দলে প্ৰথমতে খেলাৰ সুযোগ পায় সেই দলৰ অৰ্থাৎ প্ৰথম দলটোৰ এজন সদস্যক ২ নং বৃত্তত ৰাখি বাকী কেইজন সদস্য ১ নং বৃত্তত সোমাব। দ্বিতীয় দলৰ সদস্যসকল দুটা বৃত্তৰ মাজৰ ঠাইখিনিতে থাকিব। প্ৰথম দলটোৰ ২ নং বৃত্তত থকা সদস্যজনক বন্নী বোলে। খেল আৰম্ভ হোৱাৰ পিছত বন্নীজনে ২ নং বৃত্তটো এৰি দ্বিতীয় দলৰ কোনো সদস্যই চুব নোৱাৰাকৈ দৌৰি আহি ১ নং বৃত্তত সোমাব পাৰিলে দ্বিতীয় দলটোৰে এক চান খোৱাৰ নিয়ম। তাৰোপৰি দ্বিতীয় দলৰ সদস্যই

বন্নীজনক চুব নোৱাৰিলে প্ৰথম দলটোৱে আকৌ খেলিব সুবিধা পায়। সেয়ে, বন্নীজনে যাতে ১ নং বৃত্তত আহি সোমাব নোৱাৰে তাৰ বাবে দ্বিতীয় দলটোৰ সদস্যসকলে দুটা বৃত্তৰ মাজৰ বা ওচৰৰ ঠাইখিনিত পোহৰা দি থাকে। খেলৰ আৰম্ভণিতে প্ৰথম দলৰ ১ নং বৃত্তত থকা সদস্যসকলৰ পৰা এজন এজনকৈ একে উশাহেৰে 'হাই' বা 'ছি' বা 'ই' বুলি উচ্চাৰণ কৰি দ্বিতীয় দলৰ সদস্যসকলক চুবলৈ দৌৰি খেদিব আৰু চুব পাৰিলে দ্বিতীয় দলৰ সদস্যজন এটা চানৰ বাবে খেলৰ পৰা বাহিৰ হ'ব লাগে আৰু সেই সদস্যজন বন্নীজনক চুলেও একো নহ'ব। এনেকৈ প্ৰথম দলৰ সদস্যই দ্বিতীয় দলৰ সদস্যক যিমানে চুই চুই খেলৰ পৰা বাহিৰ কৰিব সিমানে প্ৰথম দলৰ বন্নীজন ১ নং বৃত্তত আহি সোমোৱাত সহজ হয়।

উক্ত খেলবিধত প্ৰথম দলৰ কাম হ'ল দ্বিতীয় দলৰ সদস্যক বাহিৰ কৰা আৰু দ্বিতীয় দলৰ কাম হ'ল খেদা আৰু দৌৰি নিজকে বচাই ৰখা যাতে বন্নীয়ে দৌৰি ১ নং বৃত্তত সোমাব নোৱাৰে। এনেদৰে খেলটো চলি থাকে।

## ৫.০১.৩ চৰে যুঁজ খেল ঃ

চৰে যুঁজ খেল কোচ-ৰাজবংশী লোকসমাজত অতীতৰে পৰা আন এবিধ খেল। এই খেলবিধ ল'ৰা ছোৱালী উভয়ে দলীয়ভাৱে খেলে। এই খেলত খেলুৱৈসকলে বাঁও হাতেৰে বাঁও ভৰিখন পিছফালে দাঙি ধৰি সোঁ হাতখন নিজৰ বাঁও কান্ধত ধৰে। তাৰ পিছত এখন ভৰিৰে থিয় হয় আৰু খেল আৰম্ভ হোৱাৰ লগে লগে এখন ভৰিৰে জপিয়াই জপিয়াই আন খেলুৱৈক ঢকিয়াই দিয়ে আৰু লগতে নিজকে আন খেলুৱৈৰ ঢকিওৱাৰ পৰা বচাব লাগে। যিজনে আনৰ ঢকিওৱাত বাগৰি পৰে বা হাতেৰে ধৰি ৰখা ভৰিখন মাটিত পেলাব লগা হয় সিয়েই খেলৰ পৰা বাহিৰ হ'ব লাগে বা হাৰে। শেষ পৰ্যন্ত যিজনে খেলি থাকিব পাৰে সিয়েই বিজয়ী হয়। এইবিধ কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত এক আমোদজনক খেল।

## ৫.০১.৪ লাঠি গাৰা খেল ঃ

কোচ -ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজত প্ৰাচীন কালেৰপৰা প্ৰচলিত বিশেষকৈ ডেকা ল'ৰা বা লাখলীয়া (গৰখীয়া) সকলে খেলা খেল। পুৰণি দিনত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে খেতি-বাতিৰে জীৱিকা নিৰ্বাহ কৰিছিল আৰু ইয়াৰ বাবে গৰু ম'হো ঘৰত পুহিছিল।

লাখলীয়া বা গৰখীয়া ডেকা ল'ৰাবোৰে গৰু চৰোৱাৰ সময়ত লাঠি গাৰা খেল খেলিছিল। এই খেলৰ বাবে বাঁহৰ জোঙা লাঠিৰ প্ৰয়োজন হয়। খেলবিধৰ আৰম্ভণিতে এজনে নিজৰ লাঠিডাল মাটিত হানি যোৱাকৈ জোৰেৰে মাটিত দলিয়ায়। খেলৰ নিয়ম হ'ল যে আন খেলুৱৈয়ে নিজৰ লাঠিৰে প্ৰথমজনৰ লাঠিডালত লগাকৈ কাষতে মাৰি প্ৰথমজনৰ লাঠিডালক বগোৰোৱাৰ লগতে নিজৰ লাঠিডালকো মাটিত হানি থিয় কৰাবো লাগিব। মন কৰিবলগীয়া কথা যে, যেতিয়াই এডাল লাঠিক লগাই আন লাঠিডাল মাটিত পুতা খাব তেতিয়াই দুডাল লাঠিৰ মাজত পূৰণ চিনৰ দৰে আকৃতি লয়। এনেদৰে এজন এজনকৈ নিজৰ লাঠিবোৰ মাটিত হানি গৈ থাকে। খেলখনত যদি ৪ জন সদস্য থাকে তেন্তে চতুৰ্থজন খেলুৱৈয়ে নিজৰ লাঠিডাল হানি যদি বাকীবোৰৰ লাঠিকেইডালক বগৰাব পৰা নাই তেন্তে আকৌ প্ৰথমজন নিজৰ লাঠিডাল মাটিৰ পৰা উলিয়াই পুনৰাই বাকীবোৰক লগাকৈ মাটিত হানিব অৰ্থাৎ ১,২,৩,৪ আকৌ ১,২,৩,৪ পুনৰাবৃত্তি হৈ থাকিব। যিজন খেলুৱৈয়ে আনবোৰৰ লাঠি বগৰাব পাৰিব তেঁওই বিজয়ী হ'ব। প্ৰায় দেখা যায় যে লাঠিবোৰ একেবাৰে মাটিত বাগৰি নপৰে কিন্তু মাটিত হান খায়। তেতিয়া আন এটা নিয়ম হ'ল যে লাঠিবোৰ কটা কটি অংশৰপৰা ভৰিৰে জুখি চোৱা। ভৰিৰে জোখাৰ পদ্ধতি হ'ল যে গোৰোহা মাটিত লগাই ভৰিখনৰ বুঢ়া আঙুলিৰে লাঠিবোৰ কটা কটি হোৱা অংশখিনিত যদি ঢুকি পায় তেন্তে যিজন সদস্যৰ লাঠিৰ কোবত বাকীবোৰ লাঠি হালি যায় তেওঁই বিজয়ী হ'ব। তেতিয়া বিজয়ী খেলুৱৈজনে আন খেলুৱৈৰ লাঠিবোৰ হাতত তুলি লৈ জংঘলত দলিয়াই দিয়ে আৰু আন আন খেলুৱৈবোৰে নিজৰ নিজৰ লাঠি জংঘলৰপৰা বিচাৰি আনি বিজয়ীজনৰ লাঠিডাল ক'ত লুকুৱাই থৈছে তাক বিচাৰি লাঠিডালত লাহেকৈ এক 'ডাং' (কোব) দিলে খেলখন সমাপ্ত হয়।

উক্ত খেলবিধক কোকৰাঝাৰ জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত 'লাঠি গাৰা খেল', 'লাঠি ভাঙা খেল', 'লাখলীয়া খেল' বোলে আনহাতে চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত 'গাছ বান্টা খেল' বোলা হয়।

### ৫.০১.৫ বৰ কইনা খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত আন এবিধ খেল হ'ল বৰ কইনা খেল। বৰ কইনা খেল। বৰ কইনা খেল সৰু ল'ৰা-ছোৱালী উভয়ে খেলে যদিও ছোৱালীসকলে বেছিকৈ

খেলে। শিশু অৱস্থাত ল'ৰা-ছোৱালীয়ে সমাজত প্ৰচলিত বিভিন্ন আচাৰ অনুষ্ঠানত পালন কৰা নীতি-নিয়ম, কৰ্ম আদি অনুসৰণ কৰে। বিবাহ লোকসমাজত প্ৰচলিত পৰম্পৰাগত এক বিশেষ অনুষ্ঠান। বৰ কইনা খেলত কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানত পালন কৰা বিভিন্ন নীতি-নিয়মাদি বিশেষৰ আংশিক প্ৰকাশ পায়। বৰ কইনা খেলৰ গোটেই নিয়ম নিৰ্ভৰ কৰে ল'ৰা-ছোৱালীৰ নিৰীক্ষণৰ ওপৰত। এই খেলৰ বাবে ফটা কাপোৰেৰে বৰ কইনা তৈয়াৰ কৰি লয়। কিছুমানে ধুনীয়া ধুনীয়া চকলেটৰ বাকলিৰে বৰ কইনা সজায়। শিশুৰ নিপুণতাৰ ওপৰত নিৰ্ভৰ কৰি পুতলাৰ ৰূপ বা আকাৰৰ পৃথকতা দেখা যায়। পুতলা ভালদৰে সাজি উলিওৱাৰ পিছত এই পুতলাৰূপী বৰ কইনাক বিয়া দিয়া খেলে আৰু লগতে বিয়াৰ নীতি-নিয়ম যেনে - বৰ কইনা গা ধুওৱা, বৰ কইনা সজোৱা, মুৰাৰী পিন্ধা, মালা বৰণ কৰা, 'কানহিছাৰ ফুলৰ' (দোৰোণ বনৰ ফুল) মালা বৰক আৰু হেৰাচী গছৰ পাতেৰে নেকলেছ বনাই কইনাক পিন্ধোৱা হয়। সেন্দুৰ লগোৱা পৰ্ব, উৰুলি দিয়া আদি খেলাৰ মাজেদি দেখিবলৈ পোৱা যায়। মনকৰিবলগীয়া যে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কিছু কিছু অঞ্চলত কাপোৰেৰে পুতলা তৈয়াৰ নকৰি ল'ৰা ছোৱালীসকলৰ মাজতে কোনোবাই বৰ কইনা সাজি, কোনোবাই ব্ৰাহ্মণ, 'বইৰাতি', 'গাওধানি' আদি সাজি বিয়াৰ ৰীতিমতে খেলিবলৈ দেখা যায়।

### ৫.০১.৬ ৰুমাল লুকোৱা খেল ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ -ৰাজবংশী জনগোষ্ঠীটোৰ ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত ভাল লগা অন্যতম এক খেল হ'ল ৰুমাল লুকোৱা খেল। এই খেলবিধ খেলিবৰ বাবে মুকলি ঠাইৰ প্ৰয়োজন হয় আৰু ল'ৰা ছোৱালী উভয়ে খেলে। এইবিধ খেলত ন-দহজন ল'ৰা ছোৱালীয়ে ঘূৰণীয়া হৈ বহিব লাগে আৰু ইয়াৰে এজন হাতত এখন ৰুমাল লৈ ল'ৰা ছোৱালীবোৰৰ পিছফালেদি চাৰিওফালে দৌৰি দৌৰি ঘূৰি থাকে। এনেদৰে দৌৰি থাকোতে বহি থকা কোনোবা এজনৰ পিছফালে মনে মনে ৰুমালখন থৈ দিয়ে। যদি বহি থকাজনে ৰুমালখন থোৱা গম নাপায় আৰু দৌৰি থকা জনে ঘূৰি আহি আকৌ ৰুমালখন পায় তেন্তে বহি থকাজনক ৰুমালখনেৰে তেতিয়ালৈকে মাৰি থাকে যেতিয়ালৈকে মাৰ খোৱাজনে নিজৰ বহা ঠাইৰ পৰা উঠি গৈ দৌৰি আকৌ নিজৰ বহা ঠাইলৈ আহি নাপায়। আকৌ যদি বহি থকাজনে ৰুমালখন থোৱা গম পায়

তেন্তে লগে লগে উঠি ৰুমালখন হাতত লৈ দৌৰি গৈ ঘূৰি থকাজনক ৰুমালখনেৰে মাৰে আৰু নিজে ৰুমালখন লৈ দৌৰি ঘূৰিব লাগে। খেলখন এনেদৰে ইজনৰ পিছত সিজনলৈ খেলি থাকে আৰু এক আমোদজনক পৰিৱেশৰ সৃষ্টি হয়।

## ৫.০১.৭ লুকালুকি খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত আন এক জনপ্ৰিয় খেল হ'ল লুকালুকি খেল। এই খেলবিধত বহুকেইজন সদস্য থাকে আৰু ল'ৰা-ছোৱালী উভয়ে খেলে। খেলৰ আৰম্ভণিতে এজন সদস্যই চুৰা বুলি বাছি লোৱা হয় আৰু তাক মুকলি ঠাইত চকুত কাপোৰ বান্ধি বা হাতেৰে চকু ঢাকিব দি বাকী সদস্যবোৰ বিভিন্ন স্থানত লুকায়। সকলোবোৰ সদস্য লুকোৱাৰ পিছত 'কু কু কু' বুলি এটা সংকেত দিব। তেতিয়া চুৰা সদস্যজনে বাকীবোৰক বিচাৰিব আৰু দেখাৰ লগে লগে নাম ধৰি যেনে- অমল স্পেৰেট, নয়ন স্পেৰেট এনেধৰণেৰে মাতিব লাগে নহলে এইটো কোৱাৰ আগতে সিহঁতে দৌৰি আহি চুৰা সদস্যজনক চুই দিলে সেইজন আকৌ চুৰা হ'ব আৰু যদি সকলো সদস্যকে বিচাৰি উলিয়াব পাৰে তেতিয়া প্ৰথম দেখাজনকে চুৰা পতাৰ নিয়ম আৰু এনেদৰে খেলখন চলি থাকিব। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ ঠাই বিশেষে এই খেলবিধক লুকা চুৰি খেল, স্পেৰেট খেল বুলিও কোৱা পৰিলক্ষিত হয়।

## ৫.০১.৮ পদুম খেল ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীনকালৰ পৰা প্ৰচলিত এক আনন্দদায়ক খেল হ'ল পদুম খেল। এইবিধ খেল ল'ৰা-ছোৱালী উভয়ে খেলে। এই খেলত বহু কেইজনে খেলিব পাৰে। এইবিধ খেলত দুজন খেলুৱৈ মুখামুখিকৈ বহি লয়। ইয়াৰ পিছত এজনে হাত দুখন ওপৰলৈ তুলি আঙুলিৰে পদুম ফুলৰ দৰে আকৃতি কৰি ৰাখে আৰু আনজনে প্ৰথমজনৰ হাত দুখনৰ কিলাকুটিত ধৰি দাঙি ধৰে। তাৰ পিছত এজন এজনকৈ সেই পদুম ফুলটোৰ ওপৰেদি দেহৰ কোনো অংগ নলগাকৈ জপিয়াই পাৰ হয়। যদি জপিয়াই পাৰ হওঁতে বহি থকা দুজনৰ গাত স্পৰ্শ কৰে তেন্তে সেইজন মৰে আৰু খেলৰপৰা বাহিৰ হয়। এনেদৰে খেলখন চলি থাকে।

### ৫.০১.৯ চকুত ধৰা খেল ঃ

চকুত ধৰা খেল কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত অন্যতম পুৰণি খেল। এই খেলবিধ ল'ৰা-ছোৱালী উভয়ে খেলা খেল এই খেলত দুটা দল থাকে আৰু এটা দল আনটো দলৰ পৰা ২০-৩০ ফুটমান ব্যৱধান ৰাখি মুখামুখিকৈ শাৰীপাতি বহে। দুয়োটা দলৰে সদস্যসকলে প্ৰত্যেকেই নিজৰ বহা ঠাইডোখৰৰ চিন ৰাখিবৰ বাবে চেণ্ডেল বা গছৰ পাত ৰাখে। দুয়োটা দলৰ দলপতিয়ে নিজৰ দলৰ প্ৰত্যেককে বিভিন্ন ধৰণৰ ফল-ফুল যেনে- তগৰ, কৰবী, গোলাপ, পদুম, আম, কঁঠাল, কল ইত্যাদি গোপন নাম সিহঁতৰ কাণৰ ওচৰত গৈ ফুচফুচাই কয়। তাৰ পিছত এটা দলৰ অৰ্থাৎ প্ৰথম দলৰ দলপতিয়ে উঠি গৈ আনটো দলৰ যিকোনো এজন সদস্যৰ কাষত গৈ পাছফালৰ পৰা দুইহাতেৰে চকু ঢাকি ধৰে আৰু নিজৰ দলৰ সদস্যকে গোপন নাম সুৰ ধৰি মাতে-

*"আয়ৰে আমাৰ তগৰ।*

*আয়ৰে আমাৰ পদুম।।"*[৫]

তেতিয়া যাৰ নাম ধৰি মতা হয় সেই সদস্যজন নিজৰ বহা ঠাইৰ পৰা মনে মনে আহি নিজৰ দলপতিয়ে চকু ঢাকি ধৰা আন দলৰ সদস্যজনৰ কপালত আঙুলিৰে টিকিলাই মনে মনে পুনৰ নিজৰ ঠাইত গৈ বহে যাতে আন দলৰ সদস্য জনে চিনি নাপায়। তাৰ পিছত প্ৰথম দলৰ দলপতিয়ে আনটো দলৰ সদস্যজনৰ চকুৰ বান্ধ খুলি দিয়ে আৰু তেওঁৰ কপালত টিকিলাই যোৱা সদস্যজনৰ নাম ক'ব দিয়ে। যদি নামটো ক'ব পাৰে তেন্তে আনটো দলৰ সদস্যজন খেলৰ পৰা বাহিৰ হোৱাৰ নিয়ম আৰু যদি নামটো ক'ব নোৱাৰে তেন্তে আনটো দলৰ সদস্যজন নিজৰ বহা স্থানত ভৰি দি বিপৰীত দলৰ ফালে একজাপ দি আগুৱাই আহি তাতে বহে। এনেদৰে অদল-বদল কৈ এটা দলে আনটো দলৰ সদস্যক চকু ঢাকি ধৰি খেলি যায়। দুটা দলৰ যিসকল সদস্যক চিনি পায় সিহঁত খেলৰ বাহিৰ হৈ গৈ থাকে আৰু যিসকলক চিনি নাপায় সিহঁত জপিয়াই বিপৰীত দলৰ ফালে আগুৱাই গৈ থাকে। এনেদৰে বিপৰীত দলৰ পিছ পৰি থকা সদস্যজনক পাৰ কৰিব পাৰে সেইটো দলে বিজয়ী হয়। তাৰ পিছত বিজয়ী হোৱা দলটো দলে সদস্যসকলে তেতিয়া 'পেষ্টি পকাই' বহি (দুখন ভৰি মেৰিয়াই লৈ বহা) দুই হাতেৰে নিজৰ দুই ভৰিৰ বুঢ়া আঙুলিত ধৰি লয় আৰু পৰাজয় হোৱা দলৰ সদস্যসকলে দুজন দুজনকৈ বিজয়ী দলৰ সদস্যসকলক

দুই হাতত ধৰি দাঙি তেওঁলোকে বিচৰা ঠাইত লৈ গৈ থ'ব লাগে। বিজয়ী দলৰ সদস্যসকলে হাঁহি হাঁহি উপভোগ কৰে আৰু এক আমোদজনক পৰিৱেশৰ সৃষ্টি হয়।

### ৫.০১.১০ ঢোপ খেল ঃ

কোচ-ৰাজবংশী সমাজত পূৰ্বৰেপৰা প্ৰচলিত আন এবিধ খেল হ'ল ঢোপ খেল। এই খেলবিধ ল'ৰা-ছোৱালী উভয় খেলে। এইবিধ খেলত ৫৬ জনীয়া দল থাকিব আৰু কাপোৰেৰে এটা বল তৈয়াৰ কৰি লয়। খেলৰ আৰম্ভণিতে মাটিত এডাল আঁচ টানি চিন দি তাৰ দুয়োফালে দল দুটাৰ সদস্যসকল থিয় দিব। তাৰ পিছত প্ৰথমতে এটা দলৰ এজন আনটো দলৰ সদস্যসকলক উদ্দেশি কাপোৰৰ বলটো দলিয়াব আৰু যাৰ গাত কাপোৰৰ বলটো লাগিব সেই সদস্যজনক 'সৈয়া' হোৱা বুলি কোৱা হয়। 'সৈয়া' হোৱা সদস্যজন বিপৰীত দলৰ পিছফালে আহি বহি থাকে। যেতিয়া বিপৰীত দলৰ কোনোবা এজন সদস্য 'সৈয়া' হ'ব তেতিয়া সেইজন আকৌ নিজৰ দলত সোমাই খেলিব পাৰে। এনেদৰে খেলটো চলি থাকে।

### ৫.০১.১১ চিল্লা উৰুৱা খেল (চিলা উৰুৱা খেল) ঃ

কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা চিল্লা উৰুৱা খেল প্ৰচলন হৈ আহিছে। বিশেষকৈ ল'ৰাসকলে মুকলি পথাৰত চিলা উৰুৱা দেখা যায়। ইয়াৰ বাবে প্ৰথমতে এখন চিলা তৈয়াৰ কৰি লয়। চিলাখন বনাওতে পাতল ৰঙীন কাগজ, আঠা আৰু বাঁহ গছৰ কাঠিৰ প্ৰয়োজন হয়। আগৰ দিনত আঠা সহজলভ্য নাছিল বাবে আঠাৰ বাবে ভাত বা কেঁচা বেলৰ আঠা ব্যৱহাৰ কৰিছিল। কাগজখন ভাঁজ কৰি বৰ্গ আকৃতিত কটা হয় আৰু কাঠি দুডালক ধনু কাড়ৰ আৰ্হিত কাগজখনত আঠাৰ সৈতে লগোৱা হয়। তাৰ পিছত মোটা সূতাৰে চিলাখনৰ কাঠি দুডাল সংযোগ চকৰি বন্ধা হয়। এই মোটা সূতাডালক নাকদৰি বুলি কয়। চিলা উৰুৱাৰৰ বাবে ৰিল সূতাৰ দৰকাৰ হয় আৰু এই ৰিল সূতা এটা সঁজুলিত মেৰোৱা হয়; এই সঁজুলিটোক লাটাই বা নাটাই বুলি কোৱা হয়। চিলাখন বনাওতে কাঠি দুডালৰ ভিতৰত ভাঁজ হৈ থকা কাঠিডাল সমানে মিলাই কাটিব লাগে নহলে দুইফালে ওজন নিমিলিলে চিলাখন ঘূৰি ঘূৰি মাটিত পৰে আৰু চিলাখনক কানি খোৱা বুলি কয়। তেতিয়া চিলাখনৰ দুইফালৰ ওজন মিলাবলৈ কানি অৰ্থাৎ এটা ফালত অতিৰিক্ত কাগজৰ টুকুৰা লগাই দিয়া হয় বা চিলাখনত 'লেটু' (নেজ) দিয়া হয় তেতিয়া চিলাখন ভালদৰে

উৰে। চিল্লাখন উৰাওতে এজনে আনজনৰ চিলা কটাকটি খেল খেলোৱা হয়। চিলা কটা কটি খেলৰ বাবে সূতাত ধাৰ দিয়া হয় আৰু ইয়াৰ বাবে আটা, ময়দা আৰু চাবু দানা সিজাই মাৰৰ সৈতে সূতাডালত বটলৰ গুড়ি লগোৱা হয়। এনে কৰিলে সূতাডাল ধাৰ হয় আৰু সহজে আনৰ চিলাক কাটিব পাৰে। এনেদৰে চিলা উৰুৱা খেল প্ৰচলন আছিল আৰু বৰ্তমান সময়তো খেলা দেখা যায়।

## ৫.০১.১২ ডং ছিলু ছিলু ঃ

ডং ছিলু ছিলু কোচ-ৰাজবংশী জনসমাজত অতীতৰেপৰা কোচ- ৰাজবংশী সমাজত প্ৰচলিত এক পুৰণি খেল। এই খেল বিশেষকৈ শিশুৰ খেল। খেলবিধ ৰাস্তাৰ দুকাষে থকা ডঙত খেলা হয়। খেলৰ আৰম্ভণিতে বিশেষ পদ্ধতিৰে এজনক চুৰা বাছি উলিযায় আৰু চুৰা সদস্যজনে ডঙত নামিব লাগে। পিছত আন সদস্যবোৰ ডঙৰ ওপৰেৰে ইটো পাৰৰ পৰা সিটো পাৰত বা সিটো পাৰৰ পৰা ইটো পাৰত জপিয়াই থাকে আৰু লগতে এটা বিশেষ বাক্যৰে চুৰাজনক জোকায় এনেদৰে — "*ডং ছিলু ছিলু ডঙেৰ মাছ আনটো একটা কুয়া মাছ।*" জপিয়াই থকা সদস্যৰ যি কোনো এজনক চুব পৰিলে তাৰ চুৰা হোৱাৰ পাল পৰে আৰু এনেদৰে খেল চলি থাকে।

## ৫.০১.১৩ ৰাজা ৰাণী খেল (ৰজা-ৰাণী খেল) ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত আন এবিধ খেল হ'ল 'ৰাজা-ৰাণী' খেল। ৰজা ৰাণী খেলত পুৰণি দিনৰ ৰজা মহাৰজাৰ কাৰ্যকলাপ তথা শাসন ব্যৱস্থাৰ কিছু আংশিক আভাস পোৱা যায়। আগৰ দিনত ৰজা মহাৰজাই কোনো সুন্দৰী ছোৱালী দেখিলে ছোৱালীজনীক ৰাজকাৰেঙত নিবৰ বাবে হুকুম দিছিল আৰু সেই হুকুম মানিবলৈ ছোৱালীজনীৰ অভিভাৱক তথা সমাজ বাধ্য আছিল। এনে কথাৰ কিছু প্ৰতিফলন ৰাজা ৰাণী খেলৰ মাজেদি দেখিবলৈ পাওঁ।

ৰাজ ৰাণী খেলবিধ এক প্ৰশ্নোত্তৰ ধৰ্মী খেল। এই বিধ খেল বিশেষকৈ ছোৱালীসকলে খেলে। এই খেলবিধত ৮-৯ জনীমান ছোৱালীয়ে হাতে হাত ধৰি থিয় হৈ থাকে আৰু এজনীয়ে তেওঁলোকৰ সন্মুখত বিভিন্ন শাৰীৰিক ভংগিমাৰে কেতবোৰ সুৰীয়া প্ৰশ্ন সুধি থাকে। দলৰ ছোৱালীসকলে একেলগে অগা-পিছা ভংগীমাৰে প্ৰশ্নবোৰৰ উত্তৰ দি থাকে আৰু দলৰপৰা এজনী

এজনীকৈ ছোৱালী প্ৰশ্ন সধি থকা ছোৱালীজনীৰ ফালে ঠেলি দি থাকে। এনেদৰে প্ৰশ্নৰ উত্তৰ দি দি শেষত দলটোৰ সকলো ছোৱালী প্ৰশ্ন সুধি থকা ছোৱালীজনীৰ ফালে আহি যায় আৰু খেলখন অন্ত পৰে। এয়া ছোৱালীসকলৰ বাবে এক আমোদজনক খেল আৰু এই খেলত জয় পৰাজয়ৰ কথা নাথাকে। ৰাজা ৰাণী খেলত ব্যৱহাৰ কৰা প্ৰশ্নসূচক পদসমূহ এনে ধৰণৰ-[৬]

| | |
|---|---|
| প্ৰশ্ন- | ৰাজায়ে হুকুম দিছে এক দিন দুই দিন নাই |
| উত্তৰ- | কি হুকুম দিছে এক দিন দুই দিন নাই |
| প্ৰশ্ন- | একটা আপিক লাগে এক দিন দুই দিন নাই |
| উত্তৰ- | কুনগো আপিক লাগে এক দিন দুই দিন নাই |
| প্ৰশ্ন- | অমুক (নাম কৈ) নামেৰ আপিক লাগে এক দিন দুই দিন নাই |
| উত্তৰ- | যা বইনি যা চিঠি পত্ৰ দিবি এক দিন দুই দিন নাই। |

## ৫.০১.১৪ ঘূষ্টা ঘূষ্টি খেল ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত আন এবিধ খেল হ'ল ঘূষ্টা ঘূষ্টি খেল। এই খেলবিধত ৪-৫ জনীয়া দল এটাত এককভাৱে খেলিব লাগে আৰু এই খেল বিশেষকৈ ছোৱালীসকলৰ মাজত প্ৰচলিত। খেলৰ বাবে 'বান্নীৰ খাটি' (বাঢ়নীৰ কাঠি)ৰ প্ৰয়োজন হয়। খেলৰ আৰম্ভণিতে সকলোৱে বনত মুখামুখিকৈ ঘূৰণীয়াহৈ বহি লয় আৰু খেলৰ বাবে এটা নিৰ্দ্দিষ্ট পৰিসীমা নিৰ্দ্ধাৰণ কৰি লয়। তাৰ পিছত এজন খেলুৱৈয়ে কাঠিডাল এখন হাতত লৈ আনখন হাতেৰে ঢাকি নিৰ্দ্দিষ্ট পৰিসীমাৰ ভিতৰত বনত কাঠিডাল লুকুৱাই থয় আৰু বাকীবোৰে কাঠিডাল বিচাৰি উলিয়াব লাগে। যিজনে বিচাৰি উলিয়াব পাৰে সেইজনে আকৌ কাঠিডাল বনত লুকুৱাই থয়। লুকুৱাই থোৱাৰ সময়ত তলত দিয়া ধৰণৰ গীতপদৰ প্ৰচলন দেখা যায়-

*"টুপ টুপ টুপানি*
*খৌলছা মাছেৰ লুকুনি*
*কুনঠায় আছে কুনঠায় নাই*
*বিছিৰিয়া উলাবাৰ মানচ নাই।"*[৭]

## ৫.০১.১৫ ঢুলে মামা খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীন কালৰ পৰা প্ৰচলিত শিশুৰ বাবে এক বিশেষ খেল হ'লে ঢুলে মামা খেল। ৩-৪ বছৰীয়া শিশুক মাক-দেউতাকে, আতা-আবু বা যিকোনো জেষ্ঠ্যসকলে বহি অথবা বিছনাত শুই হাত দুখনত ধৰি ভৰিৰ পতাত শিশুটিক বহিবলৈ দি এই খেল খেলে। এই খেলবিধ শিশুৰ খুব প্ৰিয় খেল। শিশুসকলক কেতিয়াবা নিচুকাবলৈও এনে খেল খেলা হয়। জেষ্ঠ্যজনে নিজৰ ভৰিৰ পতাৰ ওপৰত শিশুটিক বহিবলৈ তল-ওপৰ নচুৰায় আৰু এনেদৰে গায়-

*"ঢুলে মামা ঢুলে*
*হাতীৰ কাণত চৰে*
*হাতী মাৰে লাঠি*
*গোৱালি ঘৰেৰ কাঠি।"*[৮]

## ৫.০১.১৬ ইচন বিচন খেল ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত আন এবিধ পুৰণি খেল হ'ল ইচন বিচন খেল। ইচন বিচন খেল সৰু ল'ৰা ছোৱালী উভয়ে খেলে। এই খেলত ৫-৬ জন ল'ৰা বা ছোৱালীয়ে মুখামুখিকৈ ঘূৰণীয়াকৈ বহি লৈ নিজৰ নিজৰ হাতবোৰ সন্মুখৰ ফালে মেলি পাতি দিয়ে। দলৰ এজনে নিজৰ সোঁহাতেৰে বাওঁহাতৰ পৰা আৰম্ভ কৰি সকলোৰে হাতৰ ওপৰেৰে ভুকুৱাই যাব আৰু এনেদৰে গীত গাব-

*"ইচন বিচন ঢাৰকা বিচন*
*মৌ পৰে চিলা পৰে*
*কাকোঁৰেৰ / ৰাজাৰ বেটি চাউল চুকে*
*খিৰকি দেউ খিৰকি দেউ।"*
*"এলেৰ পাত বেলেৰ পাত*
*ৰাজা হৰে চুৰিপাট*
*কাটং কি নাকটং*
*ধুচ ধাচ ধাচ।"*[৯]

এনেদৰে যাৰ হাতত ধুচ-ধাচ পৰে সেইখন হাতেৰে কাষত থকা জনৰ কাণত ধৰে। তাৰ পিছত আকৌ একেদৰে গীত গায় আৰু যাৰ হাতত ধুচ ধাচ পৰে সেইখন হাতেৰে আকৌ কাষৰজনৰ কাণত ধৰে। এনেদৰে গীত গাই গাই শেষত সকলোৱে ইজনে সিজনৰ কাণত ধৰা-ধৰি কৰি আকৌ এবাৰ সকলোৱে একেলগে ইচন বিচন গীতটো ডাঙৰ ডাঙৰকৈ গায় আৰ এনেদৰে এক আমোদজনক পৰিৱেশৰে খেল উপভোগ কৰে।

### ৫.০১.১৭ টকা-টকি / টিকলা টিকলি খেল ঃ

টকা-টকি বা টিকলা টিকলি খেলা কোচ -ৰাজবংশী লোকসমাজত প্ৰচলিত এক পুৰণি খেল। এই খেলবিধ বিশেষকৈ ছোৱালীসকলৰ মাজত প্ৰচলিত। এইবিধ খেলৰ প্ৰধান সামগ্ৰী হ'ল শিলগুটি আৰু এটা ৩-৪ জনীয়া দলত এককভাৱে এই খেল খেলে। ইয়াৰ বাবে গাইপটীকৈ ২০-৩০ টা বা ততোধিক শিলগুটি গণনা কৰি লয়। খেলৰ আৰম্ভণিতে প্ৰথমজনে নিজৰ দুয়োখন হাতেৰে গোটেই শিলাগুটিবোৰ হাতত তুলি লৈ একেবাৰে গোটেইবোৰ মাটিত মেলি দিয়ে। মেলি দি ভালকৈ নিৰীক্ষণ কৰিব লাগে যে কোনবোৰ শিলগুটি ওচৰা উচৰিকৈ যোৰা হৈ আছে। যিবোৰ শিলগুটি যোৰা হৈ ওচৰা উচৰিকৈ থাকা প্ৰথমতে সেই শিলগুটি দুটাৰ মাজেৰে এটা আঙুলিৰে এডাল আঁচ টানি গুটি দুটা টিকিলাই দিব লাগে। এনে কৰোঁতে যদি সঠিকভাৱে গুটি দুটা লাগি যায় তেন্তে তাৰপৰা এটা গুটি উঠাই লয় আৰু এনেদৰে যিমান পাৰে গুটিবোৰ নিজৰফলীয়া কৰিব পাৰে। কিন্তু এনে কৰোঁতে যদি ভুলতে আন গুটিত লাগি যায় বা গুটি দুটা লগলাগি থাকে বা গুটিটো উঠাই লওঁতে অইন গুটিক স্পৰ্শ কৰে বা লৰি যায় তেন্তে তাৰপৰা এটাও গুটি উঠাব নোৱাৰিব। তেতিয়া খেলৰ নিয়ম অনুযায়ী দ্বিতীয়জনৰ খেলৰ পাল পাৰে। এনেদৰে খেলি খেলি যিজনৰ লগত গুটিৰ সংখ্যা বেছি থাকে সিজনে তাৰ পিছৰজনক গুটিৰ সংখ্যা অনুযায়ী চান খুৱায়। তাৰ পিছত আকৌ এবাৰ দুবাৰ খেলি চান খোৱা জনে গুটিবিলাক সুজাব পাৰে।

### ৫.০১.১৮ ৰচী টনা খেল ঃ

ৰচী টনা খেল কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী সকলৰ মাজত প্ৰচলিত এক আমোদজনক খেল। এই খেলবিধ শিশুৰপৰা আৰম্ভ কৰি কিশোৰ কিশোৰী, ডেকা-গাভৰু,

বুঢ়া-বুঢ়ী সকলোৱে খেলে। এই খেলৰ মাজেদি শক্তিৰ প্ৰদৰ্শন হয়। খেলবিধৰ বাবে দুটা দল থাকে আৰু দলত সমান সংখ্যক খেলুৱৈ থাকে। এডাল মোটা ৰচী এই খেলবিধৰ প্ৰধান উপাদান। ৰচীডালৰ মাজঅংশত এখন কাপোৰ বান্ধি চিন দি লয় বা কিছুমানে আটাৰে দীঘলকৈ আঁচ টানি চিন দিয়ে। তাৰ পিছত চিনৰ দুয়োদিশত দল দুটা ৰচীডাল ধৰি থিয় হয়। খেলৰ আৰম্ভণিতে তৃতীয় এজন ব্যক্তিয়ে চিন দিয়া ঠাইত ৰচীডালৰ মাজঅংশত ধৰি হুইচাল মাৰি বা এক, দুই, তিনি এনেদৰে সংকেত দিয়াৰ লগে লগে দুয়োটা দলে ৰচীডাল নিজৰ নিজৰ ফালে টানিবলৈ আৰম্ভ কৰে। শেষত যিটো দলে বিপৰীত দলটোক চিন দিয়া অংশটো পাৰ কৰি নিজৰ ফালে টানি আনিব পাৰে সেইটো দলে জয়ী হয়। এনেদৰে খেলৰ অন্ত পৰে। এই খেলবিধ সকলোৰে প্ৰিয়। সেয়ে কোনো উৎসৱ-পাৰ্ৱণৰ উপলক্ষ্যে অথবা এনেয়েও ৰচী টনা খেল খেলে।

### ৫.০১.১৯ ডবলা খেল ঃ

প্ৰাচীন কালৰেপৰা কোচ-ৰাজবংশী লোকসমাজত বিশেষকৈ গাওঁ অঞ্চলত প্ৰচলিত এক বিশেষ খেল হ'ল ডবলা খেল। ডবলা খেল বিশেষকৈ ধান খেতি চপোৱাৰ পিছত মুকলি খেতি পথাৰত খেলা খেল আৰু এইবিধ খেল ল'ৰা-ছোৱালী উভয়ে খেলে। গাওঁ অঞ্চলত ধান খেতি কৰোঁতে আলিৰে বন্ধা বৰ্গাকৃতি বা আয়তাকাৰ ক্ষেত্ৰখনক কোচ-ৰাজবংশী ভাষাত 'ডবলা' বুলি কোৱা হয়। ডবলা খেলত দুটা দল থাকে আৰু দলৰ খেলুৱৈৰ সংখ্যা অনুযায়ী ডবলা বাছি লয়। প্ৰথম দলৰ খেলুৱৈসকলৰ প্ৰতিজনে এটা এটা ডবলাত থিয় হৈ থাকে। দ্বিতীয় দলৰ সদস্যসকল সেই ডবলাবোৰ প্ৰথম দলৰ সদস্যসকলে চুব নোৱাৰাকৈ পাৰ হৈ যাব লাগে। আৰু যদি চুব পাৰে তেন্তে খেলুৱৈজন খেলৰ বাহিৰ হ'ব লাগে। এনেদৰে বিপৰীত দলৰ প্ৰত্যেকজন খেলুৱৈয়ে প্ৰতিটো ডবলা পাৰ হওঁতে ডবলাত থিয় হৈ থকা দলৰ খেলুৱৈয়ে যিমানজনক চুব পাৰিব সিমান জন খেলুৱৈ খেলৰ বাহিৰ হ'ব আৰু তাৰ ওপৰতহে খেলখনৰ জয় পৰাজয় নিৰ্দ্ধাৰিণ কৰা হয়।

### ৫.০১.২০ কড়ি খেল ঃ

কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিশেষকৈ ছোৱালীসকলৰ মাজত প্ৰচলিত এক অন্যতম খেল হ'ল কড়ি খেল। কড়ি খেল ২-৩ জনী ছোৱালী এককভাৱে খেলে। এই খেলবিধৰ প্ৰধান সামগ্ৰী হ'ল শিলগুটি। এই খেলত পাঁচটা শিলগুটি থাকে আৰু কেইটামান ঘাটৰ মাজেদি খেলা

হয়। এই আটাইকেইটা ঘাট সুকলমে অতিক্রম কৰিব পাৰিলেহে এক চান খোৱা বুলি কোৱা হয়।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলত প্ৰচলন অনুসৰি কড়িখেল দুই প্ৰকাৰৰ 'নদী খেল' আৰু 'উপকা খেল'। দুয়োবিধতে প্ৰায় একেধৰণৰ ঘাট থাকে যদিও কিছু পাৰ্থক্য থকা দেখা যায়। খেলৰ আৰম্ভণিৰ ঘাট হ'ল নাচ। ইয়াত শিলগুটিবোৰ হাতৰ তুলুৱাত লৈ মাটিত সিচঁৰাই দিয়ে। আৰু পিছত এটা এটাকৈ গুটি হাতত তুলি লয় আৰু এনেদৰে গায়-

*"আই নাচ নাচ*

*বাই নাচ নাচ*

*টেপেৰী বুঢ়ী*

*ওয়ো নাচ।"*[১০]

নাচৰ পিছত হাল বা যোৰা বা হালি। ইয়াতো গুটিবোৰ হাতত তুলি লৈ আকৌ মাটিত সিচঁৰাই দিয়ে আৰু এইবাৰ যোৰা গুটিবোৰ হাতত তুলি লয়। তোলাৰ সময়ত তলত দিয়া ধৰণেৰে গায়-

*'যোৰাই জ্যোতি শিৱ পাৰ্বতী।'*

ইয়াৰ পিছত ঠুকি বা তিপদ বা তলেয়া। ইয়াত গুটিবোৰ এনেদৰে সিঁচৰাব যাতে তিনিটা গুটি 'থুপুৰি' (একলগ হোৱা) খায়। তাৰ পিছত এটা গুটি তুলি লৈ একেলগে তিনিটা গুটি তুলিব লাগে আৰু তোলাৰ সময়ত সুৰীয়া পদ গায়-

*(১)*

*'তিন তিপদ মহা বিপদ।'*

*(২)*

*'তিন তলেয়া মাথা ঘলেয়া।'*

*(৩)*

*'আগত ঠুকি পাছত ভুকি।'*[১১]

ইয়াৰ পিছত 'উপকা'। উপকাত এটা গুটি হাতৰ পৰা ওপৰলৈ পঠিয়াই দি মাটিত চাৰিটা গুটি থয়। তাৰ পিছত আকৌ সেই গুটিটো ওপৰলৈ দি মাটিত থকা চাৰিটা গুটি হাতত তুলি লৈ

ওপৰলৈ দিয়া গুটিটোও হাতত একে সময়তে তুলি লয় আৰু এনেদৰে গায়।

"*উপকাৰ চান ঘাৰত বান।*"[১২]

ওপৰোক্ত ঘাটৰ মাজেদি পাৰ হৈ আহি উপকা দি উপকা খেল শেষ হয় আৰু পিছৰজন চান খায়।

আনহাতে 'নদী খেল' খেলিলে উক্ত ঘাটবোৰৰ উপৰিঞ্চি আৰু কেইটামান ঘাট পোৱা যায়। যেনে - হাজাৰী, নদী, চান আদি। উপকাখেলত এক উপকাত এটা চান খায় আনহাতে নদীখেলত শেষৰ চানত যদি হাতৰ তলুৱাত পাঁচোটা গুটি লৈ ওপৰলৈ পঠিয়াই দি হাতৰ উল্টা পিঠিত পাঁচোটা গুটিয়ে উঠে তেন্তে একবাৰতে পাঁচ চান খায়।

কড়ি খেল এনেদৰে খেলা হয়। "*কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকবিশ্বাস মতে কড়ি খেলালে এটা এটাকৈ দাঁতেৰে কামুৰি খেল শেষ কৰে।*"[১৩]

## ৫.০১.২১ কলছী ভাঙা খেল ঃ

কলছী ভাঙা খেল কোচ-ৰাজবংশী সকলৰ মাজত প্ৰচলিত পুৰণি লগতে অতি জনপ্ৰিয় খেল। এই খেলবিধ ল'ৰা ছোৱালী উভয়ে এককভাৱে খেলে। বিষুৱা বা আন উৎসৱ-পাৰ্ৱণত কলছী ভাঙা খেলৰ প্ৰতিযোগিতা পতা দেখা যায়। এই খেলত কোনো ল'ৰা-ছোৱালী এজনীক প্ৰথমতে চকুত ডাঠ কাপোৰেৰে বান্ধি দিয়ে যাতে বাহিৰৰ একো মণিব নোৱাৰে। তাৰ পিছত ল'ৰা বা ছোৱালীজনীক হাতত লাঠি এডাল দি আন এজনে তিনিবাৰকৈ ঘূৰাই দি এটা নিৰ্দ্দিষ্ট স্থানত ৰখা কলছীটোক ভাঙিবলৈ দিয়ে। যদি কলছীটো ভাঙিব নোৱাৰে তেন্তে বেলেগক খেলিবলৈ সুযোগ দিয়া হয়। এই খেলবিধ এতিয়াও প্ৰচলিত।


## ৫.০১.২২ কানিমুনি খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত পুৰণি দিনৰ পৰা প্ৰচলিত আন এক জনপ্ৰিয় খেল হ'ল কানিমুনি খেল। এই খেলবিধ ল'ৰা-ছোৱালী উভয়ে একগোট হৈ খেলে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ প্ৰায়ভাগ অঞ্চলতে কানিমুনি খেলৰ এতিয়াও প্ৰচলন আছে। এই খেলবিধতো কলচী ভাঙা খেলৰ দৰে প্ৰথমতে এজন খেলুৱৈক ডাঠ কাপোৰেৰে চকু বান্ধি তিনিবাৰ ঘূৰাই দিয়ে আৰু নিৰ্দ্দিষ্ট এটা পৰিসীমাৰ ভিতৰত থকা আন খেলুৱৈবোৰক চুবলৈ দিয়ে। যেতিয়ালৈকে কাকো চুব

নোৱাৰে তেতিয়ালৈকে চকুত বন্ধা কাপোৰ খুলি দিয়া নহয় আৰু বিভিন্ন ধৰণৰ কথা বা শব্দ কৰি হাঁহি - তামচা কৰি আঁতৰে আঁতৰে থাকে। যেতিয়া কোনোবা এজনক চুব পাৰে তেতিয়া সেইজনৰ চকু বন্ধা পাল। এনেদৰে ল'ৰা ছোৱালীবোৰে হাঁহি ধেমালিৰ মাজেৰে কানিমুনি খেল আনন্দমনেৰে উপভোগ কৰে।

## ৫.০১.২৩ দাৰিয়া বান্দা খেল ঃ

দাৰিয়া বান্দা খেল কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত অতি পুৰণি খেল। এইবিধ খেল দুটা দলৰ মাজত খেলা খেল আৰু এই খেলবিধ ল'ৰা ছোৱালী উভয়ে খেলে। ইয়াৰ বাবে মাটিত এটা নক্সা অকাঁ হয় (২ নং চিত্ৰত দেখুওৱাৰ দৰে)। প্ৰথম দলে নক্সাত থকা বৰ্গাকৃতিৰ ঘৰবোৰত দীঘে দীঘে এফালৰ পৰা আনটো ফালে গৈ ঘৰৰ বা নক্সাৰ বাহিৰত ওলাই পুনৰাই সেই ঘৰবোৰে দি উভতি আহি আহৰ ঠাই পাব লাগে বা নক্সাৰ বাহিৰত ওলাব লাগে। চিত্ৰত দেখুওৱাৰ দৰে A1, A2 এই কেইজন হৈছে প্ৰথম দলৰ খেলুৱৈ। তেওঁলোক এজন এজনকৈ "X" ৰ পৰা "Y" হৈ আৰু "Y" ৰ পৰা "X" ত আহিব লাগে। দলৰ খেলুৱৈসকল সোমাই যোৱা অৱস্থাত 'কাঁচা' আৰু উভটি অহা সময়ত 'পাকা' বুলি কোৱা হয়। খেলখনত সোমোৱা অৰু উভতা খেলুৱৈ যাতে একেটা ঘৰতে নোসোমায় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। যদি এনে হয় তেন্তে 'কাঁচা পাকা ফাটা' বুলি কয়। ইয়াৰ লগে লগে প্ৰথম দলে খেলাৰ সুযোগ হেৰুৱায় বা দ্বিতীয় দলে খেলাৰ সুযোগ পায়।




চিত্ৰ নং -২

### ৫.০১.২৪ কাদং খেল ঃ

কোকৰাঝাৰ জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত এক আমোদজনক তথা হাস্যমধুৰ খেল হ'ল কাদং খেল। এই খেলবিধ বিশেষকৈ ভাদ মাহত জন্মাষ্টমী উৎসৱত গাওঁ অঞ্চলত ৰাইজৰ সাহায্যাৰ্থে পতা হয়। এই খেলত প্ৰথমতে দুটা দল বনাই লোৱা হয় আৰু যিকোনো ৰাজহুৱা স্থানত এক নিৰ্দ্দিষ্ট পৰিসীমাৰ ভিতৰত মাটি খুন্দি তাত পানী ঢালি দি কাদং (বোকা)ৰ সৃষ্টি কৰে আৰু তাৰ একেবাৰে মাজভাগত এডাল দীঘল বাঁহ পুতি লয়। বাঁহডালৰ একেবাৰে আগঅংশত এযোৰ নাৰিকল অথবা তেনে ধৰণৰ কিবা এটা পুৰষ্কাৰ বান্ধি ৰাখে। খেলৰ আৰম্ভণিতে বাঁহডালত কাদঙেৰে আৰু কিছুমানে মিঠাতেলো সানি দিয়ে যাতে পিছল হয়। তাৰ পিছত এজন এজনকৈ খেল আৰম্ভ কৰে আৰু শেষলৈ এজনৰ গাৰ ওপৰত আন এজন উঠি গৈ থাকে। এনেদৰে ইজনে সিজনৰ ওপৰত সিজনে ইজনৰ ওপৰত উঠি গৈ থাকে গৈ থাকে আৰু খেলখন চাবলৈ অধিক আমোদজনক তথা আকৰ্ষণীয় হৈ পৰে। অৱশেষত যিটো দলৰ খেলুৱৈয়ে বাঁহডালৰ আগভাগত বান্ধি ৰখা পুৰস্কাৰটো ল'ব পাৰে সেইটো দলে বিজয়ী হয়। এনেদৰে গঞা ৰাইজে কাদং খেল আনন্দমনেৰে উপভোগ কৰা দেখা যায়। কোকৰাঝাৰ জিলাৰ কালীপুখুৰী অঞ্চল, ডিমলগাঁও আদিত কাদং খেলৰ বৰ্তমানেও প্ৰচলন আছে।

### ৫.০১.২৫ বগুলা খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত এক অন্যতম পুৰণি খেল হ'ল বগুলা খেল। এই খেলবিধ বিশেষকৈ ছোৱালীসকলে খেলে। বগুলা খেল এক প্ৰশ্নোত্তোৰধৰ্মী খেল। ইয়াত ৪-৫ জনীয়া ছোৱালীৰ দল থাকে। খেলৰ আৰম্ভণিতে দুজনী ছোৱালীয়ে মুখা মুখিকৈ থিয় হৈ দুয়ো দুয়োৰে হাত দুখনত ধৰে। দুয়োজনী ছোৱালীৰ হাতৰ মাজৰ অংশৰ ওপৰত আন এজনী ছোৱালীয়ে হেলনীয়া হৈ এখন ভৰি দাঙি দি বগলী সাজে। তাৰ পিছত দলৰ আন এজনী ছোৱালীয়ে বগলী সজা ছোৱালীজনীৰ পিঠিৰ তলৰ অংশত থপৰিয়াই তাইক তলত দিয়া ধৰণে প্ৰশ্ন সুধি যাব আৰু তাই উত্তৰ দি যাব-

"প্ৰশ্ন- উঠ বগুলা

উত্তৰ- উঠিচং

প্ৰশ্ন- তোৰ বেটি কুতি গিছে?

উত্তৰ- খেৰ কাটিবা

প্ৰশ্ন- খেৰ কাটিটে কি হইল?

উত্তৰ- বাঘে খাইল।

প্ৰশ্ন- সেই বাঘ কুতি গেল?

উত্তৰ- বনত লুকা হ'ল।

প্ৰশ্ন- সেই বন কি হইল?

উত্তৰ- পুৰি ছাই হইল।

প্ৰশ্ন- সেই ছাই কি হইল?

উত্তৰ- নদীত পৰিল?

প্ৰশ্ন- সেই নদী কি হইল?

উত্তৰ- শুকেয়া গে'ল

প্ৰশ্ন- ওৰ মাছ কিহে খাইল?

উত্তৰ- বগুলায়ে খাইল।

প্ৰশ্ন- সেই বগুলা কুতি গেল?

উত্তৰ- গাছেৰ ডানিত পৰিল।

হা ....... হা .......... হা সেই বগুলা ওলাই পৰিল।"[১৪] এনেদৰে সকলোৱে হাঁহি ধেমালিৰে বগুলা খেল উপভোগ কৰে।

## ৫.০১.২৬ কলগছত উঠা খেল ঃ

চিৰাং জিলাৰ কোচ-ৰাজবংশী সকলৰ মাজত কলগছত উঠা খেলৰ প্ৰচলন দেখা যায়। এই খেলবিধ খুৱেই আমোদজনক খেল। খেলবিধৰ বাবে প্ৰথমতে এডোখৰ মুকলি স্থানত এডাল কলগছ পুতি লয় আৰু কলগছডালত মিঠাতেল সানে। তাৰ পিছত খেলুৱৈসকল একক ভাৱে এজনৰ পিছত এজনকৈ খেলিবলৈ আগবাঢ়ে আৰু কল গছডালত উঠাবলৈ চেষ্টা কৰে। ইয়াত শাৰীৰিক শক্তি আৰু মানসিক বুদ্ধি দুয়োটাৰে প্ৰয়োজন হয়। শেষত, যিজন খেলুৱৈ কলগছডালত

ভালকৈ উঠিব পাৰে সেইজনেই বিজয়ী হয়। কলগছত উঠা খেল চিৰাং জিলাৰ কোচ-ৰাজবংশী সকলৰ মাজত প্ৰচলিত যদিও খুব কম।

## ৫.০১.২৭ নদীত জপিওৱা খেল ঃ

কোচ-ৰাজবংশী লোকসকলৰ মাজত পুৰণি দিনৰ পৰা চলি অহা আন এবিধ খেল হ'ল নদীত জপিওৱা খেল। এই খেল বিশেষকৈ গাওঁৰ ল'ৰাবিলাকে খেলে। এইবিধ খেল নদীৰ পানীত খেলা খেল। খেলৰ আৰম্ভণিতে ল'ৰা বিলাকে নদীৰ ওপৰত থকা দলঙত থিয় হৈ লয় তাৰ পিছত সকলোৱে একেলগে নদীৰ পানীত কোনে কিমানদূৰ জপিয়াব পাৰে তাৰেই প্ৰতিযোগিতা চলায়। কিন্তু ইয়াত জয় পৰাজয়ৰ কথা নাথাকে। আনন্দ, স্ফূৰ্তি কৰাৰ লগতে শাৰীৰিক কছৰৎ ও এই খেলবিধৰ মূল কথা আৰু ইয়াৰ দ্বাৰা সাতোঁৰো ভালদৰে শিকিব পাৰে।

## ৫.০১.২৮ আইদং বাইদং খেল ঃ

আইদং বাইদং খেল কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত অন্যতম খেল। এই খেলবিধ বিশেষকৈ ল'ৰাবিলাকে নদীত পানীত সাঁতুৰি সাঁতুৰি খেলে। দলত এককভাৱে খেলে। প্ৰথমতে নদীৰ পানীত নিৰ্দ্দিষ্ট পৰিসীমা নিৰ্দ্ধাৰণ কৰি লয়; সেই পৰিসীমাৰ ভিতৰতহে খেলবিধ খেলা হয়। তাৰ পিছত এজন খেলুৱৈয়ে দলৰ বাকীবোৰক সাঁতুৰি সাঁতুৰি সিহঁতৰ মূৰত ধৰিব চেষ্টা কৰিব আৰু বাকীবোৰ খেলুৱৈয়ে পানীত ডুবি ডুবি সাঁতুৰি সাঁতুৰি নিজকে বচাবলৈ যত্ন কৰে। এনেদৰে যদি প্ৰথম খেলুৱৈজনে আন কোনোবা খেলুৱৈৰ মূৰত ধৰিব পাৰিছে তেন্তে সি ক'ব-

*"আইদং বাইদং ডঙেৰ চাইদং*
*ডাল ডুল কুমুৰাৰ ফুল*
*আইচুকী বাইচুকী*
*তাঙল ঘোৰা গুডুম।"*[১৫]

এনেদৰে কোৱাৰ পিছত যাৰ মূৰত ধৰিছিল সেইজনে এইবাৰ বাকীবোৰৰ মূৰত ধৰিবলৈ চেষ্টা কৰিব আৰু এনেদৰে খেলখন চলি থাকে। এই খেলত হৰা জিকাৰ কথা নাথাকে। এই খেলৰ জৰিয়তে ল'ৰাবিলাকে ভালদৰে সাঁতোৰ কাৰ্য শিকিব পাৰে লগতে সিহঁতৰ শাৰীৰিক উৎকৰ্ষতাও বাঢ়ে।

## ৫.০১.২৯ হাউ গুডু খেল ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী সকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত খেলবোৰৰ ভিতৰত হাউ গুডু এক জনপ্ৰিয় খেল। হাউ গুডু খেল প্ৰায় সকলোবোৰ অঞ্চলতে প্ৰচলিত আছিল। এই খেলবিধ ল'ৰা ছোৱালী উভয়ে খেলা খেল। ইয়াত সাতৰপৰা দহজনীয়া দুটা দলে অংশগ্ৰহণ কৰে। মুকলি খেলপথাৰত প্ৰথমে দুটা দলৰ মাজত এডাল দীঘলকৈ আঁচ টানি চিন দিয়া হয়। প্ৰথম দলৰ পৰা এজন খেলুৱৈ উশাহ নিছিগাকৈ তলত দিয়া ধৰণে কয়-

*(ক)*

*"গুডু গুডু ময়না*

*দুলাল ঘৰেৰ কইনা কইনা কইনা ............*

*(খ)*

*গুডু গুডু বিন্দাৰ গুডু*

*খায় কি নাখায় থেক্কে গুন্দু গুন্দু গুন্দু ............*

*(গ)*

*চিটকী বাৰী বৃন্দাবন*

*ঘড়ী বাজে টনাটন টনাটন টনাটন ....................."*[১৬]

আৰু দ্বিতীয় দলৰ খেলুৱৈসকলৰ যিসকলক চুব পাৰে তেওঁলোক মৰে। কিন্তু যদি প্ৰথম দলৰ খেলুৱৈজনক দ্বিতীয় দলৰ খেলুৱৈসকলে উশাহ এৰালৈকে ধৰি ৰাখিব পাৰে তেন্তে তেওঁ মৰে। আনহাতে যদি প্ৰথম দলৰ খেলুৱৈজনে ধৰি ৰখাৰ পাছতো উশাহ বন্ধ নোহোৱাকৈ আহি মাজৰ আঁচডালত হাত বা ভৰি লগাব পাৰে নাইবা পাৰ হ'ব পাৰে তেন্তে দ্বিতীয় দলৰ ধৰা কেইজন খেলুৱৈয়ে মৰে। এনেদৰে প্ৰথম দলৰ পৰা এজন তাৰ পিছত দ্বিতীয় দলৰ পৰা এজন এজনকৈ গৈ খেলে। শেষ পৰ্যায়ত যিটো দলৰ খেলুৱৈ বেছিকৈ মৰে, সেই দলটোৱে হাৰে আৰু আনটো দলে জিকে। এনেকৈ খেলখনৰ অন্ত পৰে।

বৰ্তমান সময়ত হাউগুডুৰ আধুনিক ৰূপ কাবাডী খেল বুলি ক'লেও ভুল নহ'ব। সময়ৰ লগে লগে খেলৰো ৰূপ সলনি হৈ আহিছে।

### ৫.০১.৩০ ঠেং বাৰী খেল ঃ

কোচ-ৰাজবংশী লোকসমাজত পূৰ্বৰেপৰা প্ৰচলিত আন এক অন্যতম খেল হ'ল ঠেং বাৰী খেল। এই খেলবিধ গাওঁ অঞ্চলত বিশেষকৈ ল'ৰাবিলাকে খেলে। ছোৱালী খেলিলেও খুব কম। এই খেলৰ প্ৰধান সামগ্ৰী হ'ল সৰু আকাৰৰ বাঁহগছ। বাঁহগছৰ দানিবিলাক কাটোতে এটা বিশেষ কৌশেলেৰে কাটে যাতে তাৰ ওপৰত ভৰি ৰাখিব পাৰে। প্ৰত্যেকজন খেলুৱৈ দুডালকৈ বাঁহ লয়। ঠেং বাৰী খেল এক প্ৰতিযোগিতামূলক খেল আৰু ইয়াত খেলুৱৈসকলে এককভাৱে খেলে। খেলৰ আৰম্ভণি খেলুৱৈসকলে প্ৰত্যেকেই বাঁহ দুডালৰ ওপৰত ভৰি দুখন উঠাই লৈ একে শাৰীতে থিয় হৈ থাকে। ইয়াৰ বিপৰীত দিশত কিন্তু দূৰত্বত এটা চিন ৰখা হয়। যেতিয়া আন এজন ব্যক্তিয়ে হুইচেল মাৰিব বা এক দুই তিনি কৈ ইংগিত দিব তেতিয়া খেলুৱৈসকলে তেনেদৰে বাঁহ ডালত উঠিয়ে খোজ কাঢ়িবলৈ আৰম্ভ কৰে। যিসকল খেলুৱৈয়ে খৰকৈ খোজ কাঢ়ি বিপৰীত দিশত চিন দিয়া ঠাইত প্ৰথমতে গৈ পায় সেই সকলেই জয়ী হয়। এই খেলত প্ৰথম দ্বিতীয়, তৃতীয় জনক বিজয়ী ঘোষণা কৰা হয়। খেলখন চলি থাকোঁতে এক আমোদজনক পৰিৱেশৰ সৃষ্টি হয়। কিয়নো বাঁহৰ ওপৰত থিয় দিয়াৰ বাবে খেলুৱৈসকল বছি ওখ হৈ পৰে, মাজতে কোনোবাই মাটিত পৰি যায় আকৌ উঠে। এনেদৰে এক হাস্যমধুৰ পৰিৱেশৰ মাজেৰে খেলখন চলে আৰু সকলোৱে উপভোগ কৰে।

### ৫.০১.৩১ বাত্তা খেল/ঘান্টা খেল ঃ

বাত্তা খেল বা ঘান্টা খেল কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত এক জনপ্ৰিয় খেল। এই খেলবিধ মুকলি পথাৰত বিশেষকৈ ল'ৰাবিলাকে এককভাৱে অথবা দলীয়ভাৱে খেলা দেখা যায়। ই এবিধ আমোদজনক খেল। খেলৰ আৰম্ভণিতে মাটিত ৫ ইঞ্চি মান দীঘল, ১.৫ ইঞ্চিমান বহল আৰু ১.৫ ইঞ্চি গভীৰ গাত এটা খান্দি লোৱা হয় আৰু খেলিবৰ বাবে দলৰ প্ৰত্যেকজন খেলুৱৈৰ হাতে হাতে ২.৫ ফুটমানৰ স্কেলৰ দৰে লাঠি এডালকৈ থাকে আৰু লগতে ৬ ইঞ্চিমান দীঘল অকণমান মোটাকৈ বাঁহৰে তৈয়াৰী লাঠি এডালৰ প্ৰয়োজন হয়। এইডালকে বাত্তা বা ঘান্টা বুলি কোৱা হয়।

প্ৰথমতে যিজন খেলুৱৈয়ে খেলিব সেইজন মাটিৰ গাতটোৰ ওচৰত থিয় হ'ব আৰু বাকী খেলুৱৈবোৰে নিজ হাতে-হাতে লাঠি লৈ বিপৰীত দিশত থিয় হ'ব। ঘান্টা খেলত দুটা পৰ্যায় আছে। প্ৰথম পৰ্যায়ত প্ৰথম খেলুৱৈজন গাতটোৰ ওপৰত ঘান্টা বা বাত্তাডাল পথালিকৈ থৈ নিজৰ হাতত থকা লাঠিডালেৰে ঘান্টাডালক বহুত দূৰলৈ যোৰালৈ গতিয়াই মাৰি পঠিয়ায় আৰু নিজৰ হাতত থকা লাঠিডাল গাতটোৰ ওপৰত পথালিকৈ ৰাখিব। সমান্তৰালভাৱে আন খেলুৱৈ সকলৰ যিকোনো এজনে বাত্তাডাল য'ত গৈ পৰিছে তাৰ পৰা তুলি লৈ গাঁতটোত ৰখা লাঠিডালত দলিয়াই লগাব পাৰিলে প্ৰথমজন খেলুৱৈ প্ৰথম পৰ্যায়ত খেলৰ পৰা আউট (Out)হ'ব আৰু যদি লগাব নোৱাৰে তেন্তে প্ৰথমজন খেলুৱৈ দ্বিতীয় পৰ্যায়তো খেলিব পাৰিব। বাত্তাডাল বহুত দূৰলৈ ছিটিকি পৰিলে তাৰ পৰা দলিয়াই গাঁতটোত ৰখা লাঠিডালত লগোৱাটো টান হৈ পৰে, সেয়ে বাত্তাডাল যাতে বেছি দূৰত নাযায় তাৰ বাবে আন খেলুৱৈসকলে নিজ নিজ লাঠিৰে কোবাই মাটিত পেলাবলৈ চেষ্টা কৰে।

দ্বিতীয় পৰ্যায়ত খেলুৱৈজনে বাত্তাডাল হেলনীয়াকৈ গাঁতৰ ভিতৰত আধা অংশ আৰু বাহিৰত আধা অংশ উলিয়াই ৰাখিব। তাৰ পিছত বাত্তাডালৰ বাহিৰৰ অংশত নিজৰ লাঠিৰে লাহেকৈ কোব দিব; কোব দিয়াৰ লগে লগে বাত্তাডাল ঘূৰি ঘূৰি ওপৰলৈ উঠি আহে আৰু সেই মূহুৰ্ততে আকৌ এবাৰ জোৰকৈ কোবাই বেছি ওপৰলৈ নিয়াৰ চেষ্টা কৰে। দ্বিতীয়বাৰ কোব মাৰাৰ সময়ত যদি আন খেলুৱৈ কোনোবাই বাত্তাডালত কোবাব পাৰে তেন্তে প্ৰথমজন খেলুৱৈ খেলৰ পৰা আউট হ'ব। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল যে প্ৰথম পৰ্যায়ত বাত্তাডাল আন খেলুৱৈয়ে কোবাই নমালে খেলুৱৈজন আউট নহয়; কেৱল বাত্তাডাল যাতে বেছি দূৰত নপৰে তাৰে প্ৰচেষ্টাহে। কিন্তু দ্বিতীয় পৰ্যায়ত খেলুৱৈজনে দ্বিতীয়বাৰ কোব মৰাৰ সময়ত আনে যদি বাত্তাডালত আনে কোব লগায় তেন্তে খেলি থকা খেলুৱৈজন আউট হয়। যদি বাত্তাডালত আনে কোব লগাব নোৱাৰে অৰ্থাৎ আউট কৰিব নোৱাৰে তেন্তে খেলি থকা খেলুৱৈজনে এইবাৰ পইন্ট গণিব পাৰিব। বাত্তাডাল  ছিটিকি গৈ য'ত পৰিব তাৰ পৰা মাটিৰ গাঁতটোলৈকে খেলুৱৈজন নিজৰ লাঠিডালেৰে এক দুই কৰি গণি আহিব। পইন্ট গণোতে এখন হাতেৰে বাত্তাডাল পিছফালে কঁকালৰ ওপৰত ধৰি আনখন হাতেৰে নিজৰ লাঠিডালৰ মাজত ধৰি এৰি নিদিয়াকৈ গণি আহে।

কিমান পইন্টত এক চান হ'ব সেয়া খেলুৱৈসকলে আগতে ঠিৰাং কৰে। সেইমতে যিজনে বা যিটো দলে প্ৰথমতে সেই পইন্টলৈকে গৈ পায় সেই জনে বা সেইটো দলে খেলত বিজয়ী হয়। খেলটো এনেদৰে চলি থাকে।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলত বাত্তাখেল বা ঘান্টা খেলৰ প্ৰচলন আছিল আৰু ভিতৰুৱা গাঁও অঞ্চলত বৰ্তমানেও প্ৰচলিত।

## ৫.০১.৩২ ভল্টুক খেল ঃ

ভল্টুক খেল কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীন কালৰেপৰা প্ৰচলিত এক পুৰণি খেল। এই খেলবিধ গাঁও অঞ্চলত বিশেষকৈ ল'ৰাবিলাকৰ মাজত প্ৰচলিত। ভল্টুক খেলৰ বাবে পোন প্ৰথমে এটা ভল্টুক বনাই লোৱা হয় আৰু ইয়াৰ বাবে প্ৰয়োজন হয় বাঁহ। প্ৰথমতে, সৰু বাঁহৰ ১২-১৪ ইঞ্চি মানৰ এটা টুকুৰা লোৱা হয় য'ত দুয়োফালেদি ফুটা থাকে। তাৰ পিছত ফুটাটোত সোমাই যোৱাকৈ আৰু এডাল মাৰি বনোৱা হয়। এইখিনিতে মনকৰিবলগীয়া যে, মাৰিডালৰ গুৰিটো অলপমান মোটাকৈ ৰাখিব লাগে যাতে ফুটাটোৰ ভিতৰত গোটেই সোমাই নাযায়। তাৰ পিছত ফুটাটোত জিয়া গছৰ ফল বা কিছুমানে কাগজৰ টুকুৰা পানীত তিয়াই লৈ গোটা কৰি গুজি দি অলপ থেকেচি চেপেটা কৰি তাৰ মাজেদি মাৰিডাল সুমুৱাই দি কোনো এটা লক্ষ্য স্থিৰ কৰি সেইফালে সজোৰেৰে ফুটাটোৰ আনটো দিশে হেচি দিয়ে। তাৰ ফলত আনটো ফুটাৰে সজোৰে ওলাই যায় আৰু এটা শব্দৰ সৃষ্টি হয়।

ভল্টুক খেল এবিধ প্ৰতিযোগিতামূলক খেল নহয় যদিও এই খেলৰ জৰিয়তে কোনো এটা লক্ষ্যলৈ ভেদ কৰিব পৰা অৰ্হতা আহৰণ কৰাত সহায় কৰে। বৰ্তমান সময়ত প্ৰচলিত খেল আৰ্চাৰীৰ সৈতে ভল্টুক খেলৰ সামঞ্জস্য দেখিবলৈ পোৱা যায়।

উক্ত খেলসমূহৰ উপৰিও কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত পৰম্পৰাগতভাৱে আৰু বহুতো খেল-ধেমালিৰ প্ৰচলন হৈ আছে যেনে- কুতকুত খেল, গাই-দামুৰি খেল, ভাত-শাক খেল, ঢকুনা খেল, ঘূৰুণি খেল আদি।

উপৰোক্ত আলোচনাৰ পৰা কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত পূৰ্বৰেপৰা পৰম্পৰাগতভাৱে প্ৰচলিত বিভিন্ন ধৰণৰ খেল-ধেমালিৰ বিষয়ে কিছু আভাস পাব পাৰি।

### ৫.০২ কোচ ৰাজবংশী সকলৰ পৰম্পৰাগত খেল-ধেমালি সম্পৰ্কীয় লোকাচাৰ ঃ

কোচ-ৰাজবংশী লোকসংস্কৃতিৰ এক এৰাব নোৱাৰা অংগ হৈছে খেল-ধেমালি। অসম তথা ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ দৰে কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ মাজতো অতীতৰে পৰা পৰম্পৰাগতভাৱে বহুতো খেল-ধেমালি প্ৰচলিত হৈ আহিছে। যিহেতু পৰম্পৰাগতভাৱে চলি অহা এই খেল-ধেমালিসূহৰ কোচ-ৰাজবংশী লোকজীৱনৰ লগত সংপৃক্ত সেয়ে এই খেল-ধেমালিৰ সৈতে জড়িত কিছুমান লোকাচাৰ দেখিবলৈ পোৱা যায়।

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত খেল-ধেমালিবোৰ ল'ৰা ছোৱালী বা পুৰুষ মহিলা অনুযায়ী, বয়স অনুযায়ী খেলা দেখা যায়। উদাহৰণস্বৰূপে, নদীত জপিওৱা খেল, আইদং বাইদং খেল, কলগছত উঠা খেল. কাদং খেল আদি খেলসমূহ বিশেষকৈ ল'ৰা বা পুৰুষৰ মাজতে প্ৰচলিত; কিয়নো এইবোৰ পুৰুষসুলভ কাৰ্য। ল'ৰা বা পুৰুষসকল বাট-পথ, জেং, পথাৰ, পুখুৰী, নদী আদি সকলোতে খেলিছিল। কিন্তু ছোৱালী বা মহিলাসকলৰ এই ক্ষেত্ৰত কিছু সীমাবদ্ধতা আছিল। পুখুৰী, নদী আদিত ছোৱালীবিলাকে বেছি খেলা পৰিলক্ষিত নহয়।

কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত লোকবিশ্বাস আছে যে মংগল পাঠা / পাইট খেল খেলিলে বৰষুণ দিয়ে।

কড়ি খেল খেলাৰ শেষত দোষে চুব বুলি কড়ি বা শিলবিলাক দাঁতেৰে কামুৰি খেলখন সামৰে।

ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিবাহ অনুষ্ঠানতো নৱবিবাহিতা দৰা-কইনাৰ মাজত কড়ি খেল বা আঙুঠি লুকোৱা খেল অনুষ্ঠিত কৰা দেখা যায়। এনে খেলৰ মাজেদি দাম্পত্য জীৱন সুখকৰ হয় তথা স্নেহৰ বান্ধোন সুদৃঢ় হয় বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

কোচ-ৰাজবংশী লোকসমাজত বিশেষকৈ কোকৰাঝাৰ জিলাৰ কালীপুখুৰী অঞ্চল আৰু ডিমলগাঁওত ভাদ মাহৰ জন্মাষ্টমী উৎসৱত কাদং খেলৰ প্ৰচলন আছিল আৰু বৰ্তমানেও চলি আছে।

এনেদৰে, কোচ-ৰাজবংশী লোকসমাজত খেল-ধেমালিৰ সৈতে জড়িত কিছু নীতি-নিয়মৰ আভাস পোৱা যায়।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰাচীন কালৰে পৰা বিভিন্ন ধৰণৰ খেল-ধেমালিৰ প্ৰচলন হৈ আহিছে। এই খেল-ধেমালিসমূহ কোচ-ৰাজবংশী সমাজত লিংগভেদে, বয়সভেদে, স্থানভেদে, কালভেদে, ঋতুভেদে বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়। ইয়াৰে কিছুমান খেল দুজনীয়া, কিছুমান দলীয়ভাৱে খেলা দেখা যায়। মনকৰিবলগীয়া দিশটো হ'ল এনে খেল-ধেমালিবোৰত সৰহভাগতে প্ৰাকৃতিক সমলৰ ব্যৱহাৰ দেখা যায়। উদাহৰণস্বৰূপে, মংগল পাঠা খেলত এটা নক্সা আঁকাৰ উপৰিও কচুগছৰ ঠাৰিৰে গুটি বনোৱা হয়। দুই দলৰ মাজত পাৰ্থক্য দেখুৱাবৰ বাবে বগা কচুগছৰ ধৰি আৰু ক'লা কচুগছৰ ঠাৰিৰে খেলৰ গুটি বনোৱা হয়। লাঠি গাৰা খেল, ঠেং বাৰী খেল, বাত্তা খেল আদিত বাঁহ বা বাঁহৰ জোঙা লাঠি ব্যৱহাৰ কৰা হয়। বৰ কইনা খেলত দোৰোণ ফুলৰ মালা, আঙুঠি, কলিবনৰ পৰা গলৰ মালা আদি তৈয়াৰ কৰি দৰা-কইনাক সজায়। সেইদৰে ভাত-শাক খেলত ল'ৰা ছোৱালীয়ে দৈনন্দিন জীৱনত দেখা কামবোৰ যেনে- বজাৰ কৰা, ভাতৰন্ধা ইত্যাদিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা দেখা যায়। বজাৰ কৰাৰ সময়ত টকাৰ পৰিৱৰ্তে গছৰ পাতৰ বিনিময়, ৰন্ধাত নাৰিকলৰ টকো (খোলা) আদি ব্যৱহাৰ কৰে। ইয়াৰোপৰি চকুত ধৰা খেলত বিভিন্ন ধৰণৰ ফল, ফুলৰ নাম যেনে- গোলাপ, পদুম, আম, কঁঠাল, কল ইত্যাদিৰ প্ৰয়োগ মনকৰিবলগীয়া। তাৰোপৰি, ঢোপ খেল ৰবাব টেঙাৰ বলেৰে খেলা হয়। টকা-টকি খেল, গাই-দামুৰি খেল, কড়ি খেল আদি খেল শিলেৰে খেলা হয়। কাদং খেলত কাদং বা বোকাৰে খেলা হয়। ভল্টুক খেলত জিয়া গছৰ ফল ব্যৱহাৰ কৰা হয়। ঢকুনা খেলত তামোল গছৰ ঢকুনা (ঢকুৱা) ব্যৱহাৰ কৰা হয়। নদীত জপিওৱা খেল নদীৰ পানীত খেলা হয়।

এনেদৰে আলোচনা কৰিলে কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত পৰম্পৰাগত খেলসমূহ বিশেষকৈ প্ৰাকৃতিক উপাদান তথা সমল আদিৰে খেলা পৰিলক্ষিত হয়। এনে ধৰণৰ প্ৰাকৃতিক উপাদনা তথা সমলৰ প্ৰয়োগে কোচ-ৰাজবংশী লোকসমাজত প্ৰকৃতি আৰু মানৱ সমাজৰ এক নিবিড় সম্পৰ্ক আৰু পাৰস্পৰিক নিৰ্ভৰশীলতা সুন্দৰ ৰূপত ফুটি উঠিছে। অৱশ্যে, বৰ্তমান সময়ত আধুনিকতাৰ পৰশত, বিশ্বায়নৰ ফলত, নগৰমুখীতা আদিৰ প্ৰভাৱত উন্নতমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰদ্বাৰা নিৰ্মিত পৰিৱেশ আৰু সামগ্ৰীৰেও খেলসমূহ খেলা দেখা যায়।

## প্রসংগটীকা ঃ

| | | |
|---|---|---|
| ১। প্ৰফুল্ল দত্ত গোস্বামী | ঃ | *অসমীয়া জনসাহিত্য*, পৃঃ ৭২ |
| ২। বিৰিঞ্চি কুমাৰ বৰুৱা | ঃ | *অসমৰ লোকসংস্কৃতি*, পৃঃ ২৩ |
| ৩। উপেন ৰাভা হাকাচাম | ঃ | *বৰ অসমৰ বৰ্ণিল সংস্কৃতি*, পৃঃ ৪২১-৪২২ |
| ৪। তথ্যদাতা | ঃ | বকুল ৰায়, পুৰুষ, ৪৮ বছৰ, চন্দ্ৰপাৰা, কোকৰাঝাৰ |
| ৫। তথ্যদাতা | ঃ | লীলাৱতী দাস, মহিলা, ৫০ বছৰ, আমগুৰি, চিৰাং |
| ৬। তথ্যদাতা | ঃ | শুকেন ৰায়, মহিলা, ৭০ বছৰ, ডিমলগাওঁ, কোকৰাঝাৰ |
| ৭। তথ্যদাতা | ঃ | বীণাপানি বৰ্মন, মহিলা, ৪৯ বছৰ, চিদলী, চিৰাং |
| ৮। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৯। তথ্যদাতা | ঃ | মঞ্জু ৰায়, মহিলা, ৬৬ বছৰ, বিজনী, চিৰাং |
| ১০। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১১। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১২। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১৩। তথ্যদাতা | ঃ | দীপাঞ্জলী ৰায়, মহিলা, ৪৫ বছৰ, ছতিয়ানগুৰী, চিৰাং |
| ১৪। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১৫। তথ্যদাতা | ঃ | বকুল ৰায়, পুৰুষ, ৪৮ বছৰ, চন্দ্ৰপাৰা, কোকৰাঝাৰ |
| ১৬। তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |